# MOU SIGNING CEREMONY BETWEEN SARAIGHAT COLLEGE AND PUB-BONGSOR COLLEGE AT SARAIGHAT COLLEGE ON 17TH MAY, 2023

DAINIK ASAM, Guwahati, Friday, May 19, 2023

## শৰাইঘাট মহাবিদ্যালয়-পূব বংশৰ মহাবিদ্যালয়ৰ বুজাবুজি চুক্তি স্বাক্ষৰ



<u>বাতৰি দিওঁতা</u>

**দুমুনিচকী, ১৮ মে'ঃ** শৰাইঘাট মহাবিদ্যালয় আৰু পূব বংশৰ মহাবিদ্যালয়ৰ মাজত কালি এক বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ অধীনত এই শিক্ষাবৰ্ষৰপৰা আৰম্ভ হ'বলগীয়া স্নাতকৰ নতুন পাঠ্যক্ৰম সন্দৰ্ভত ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকসকলক সজাগ কৰিবলৈ আৰু 'নাক'ৰ পৰিদৰ্শনৰ লগত সংগতি ৰাখি দুয়োখন মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সমন্বয়কৰ উপস্থিতিত শৰাইঘাট মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মণি শৰ্মা আৰু পূব বংশৰ মহাবিদ্যালয়ৰ অধ্যক্ষা ড° প্ৰণীতা বৈশ্যই ভৱিষ্যতে দুয়োখন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত জ্ঞান বিনিময়, শিক্ষক বিনিময়, আন্তঃগাঁথনিৰ সৎ ব্যৱহাৰ, গৱেষণা তথা সহঃ পাঠ্যক্ৰম ইত্যাদি বিষয়ত একত্ৰিতভাৱে কাম কৰিবলৈ এই বুজাবুজিৰ চুক্তিত উপনীত হয়। ইয়াৰ লগতে দুয়োখন মহাবিদ্যালয়ৰ ইংৰাজী আৰু শিক্ষা বিভাগে পৰৱৰ্তী পাঁচ বছৰৰ বাবে বিভাগীয়ভাৱে এক সমন্বয় আৰু সহযোগিতামূলকভাৱে কাম কৰিবলৈ প্ৰতিজ্ঞাবদ্ধ হৈ বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। আজিৰ অনুষ্ঠানত পূব বংশৰ মহাবিদ্যালয়ৰ আভ্যন্তৰীণ গুণগত মান নিশ্চিতকৰণ কোষৰ সমন্বয়ক ড° ধ্ৰুৱজ্যোতি মালাকাৰ, ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক শ্বেখ আব্দুল হামিদ, সহঃ অধ্যাপিকা ড° হিমাদ্ৰী ভৰালী, শিক্ষা বিভাগৰ সহঃ অধ্যাপিকা দীপা বৰুৱা, ৰীতিৰেখা কলিতা আৰু গ্ৰন্থাগাৰিক মিতালী বৰ্মন উপস্থিত থাকে। আনহাতে, শৰাইঘাট মহাবিদ্যালয়ৰ আভ্যন্তৰীণ গুণগত মান নিশ্চিতকৰণ কোষৰ সমন্বয়ক তথা ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক নৱজ্যোতি পাটোৱাৰী, অধ্যাপিকা দেৱযানী দাস, একেখন মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ মুৰব্বী অধ্যাপিকা ড° লতিকা ডেকা, সহঃ অধ্যাপিকা ড° সংগীতা ডেকা প্ৰমুখ্যে বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপক জয়ন্ত শৰ্মা, ড° মানস বৰদলৈ, পাৰ্চী বিভাগৰ মুৰব্বী অধ্যাপক ড° আমিনুল ৰহমান, অসমীয়া বিভাগৰ অধ্যাপক ড° ধনেশ্বৰ কলিতায়ো আজিৰ এই চুক্তি স্বাক্ষৰ অনুষ্ঠানত উপস্থিত থাকে। অনুষ্ঠানৰ আঁত ধৰে ড° ধ্ৰুৱজ্যোতি মালাকাৰে। 'নাক'ৰ মূল্যায়নত 'এ' গ্ৰেড লাভ কৰা শৰাইঘাট মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মণি শৰ্মাই এই চুক্তি কাগজৰ মাজত সীমাবদ্ধ নাৰাখি ব্যৱহাৰিক দিশত কাম কৰাৰ বাবে সকলোকে অনুৰোধ জনায়। নাকৰ মূল্যাংকনৰ বাবে এছ এছ আৰ প্ৰস্তুত কৰাৰ ক্ষেত্ৰত পূব বংশৰ মহাবিদ্যালয়ক বিভিন্ন পৰামৰ্শমূলক বক্তব্য আগবঢ়ায় অধ্যাপক নৱজ্যোতি পাটোৱাৰীয়ে।

স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

শুকুৰবাৰ, ১৯ মে' ২০২৩ □ FRIDAY, 19 MAY 2023

Website


**আজিৰ বতৰ বাৰ্তা**

গুৱাহাটীৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰৰ পূৰ্বানুমান অনুসৰি আজি ফৰকাল হোৱাৰ সম্ভাৱনা আছে। আজিৰ সৰ্বোচ্চ তাপমাত্ৰা ৩২°, সৰ্বনিম্ন তাপমাত্ৰা ২২° চেলছিয়াছ। সূৰ্যোদয়ৰ সময় ৪.৩৬ বজা। সূৰ্যাস্তৰ সময় ৬.০৫ বজা।

**শুভ বাৰ্তা**

চৌষষ্ঠি কলাৰ ভিতৰত ভাস্কৰ্য, স্থাপত্য, চিত্ৰবিদ্যা, সংগীত আৰু কবিতা এই পাঁচোটিৰে এটা শ্ৰেণী কৰি সিবোৰক ললিত কলা বা সুকুমাৰ কলা নাম দিয়া হৈছে।

— ড° মহেশ্বৰ নেওগ

## চুক্তি কাগজৰ মাজত সীমাবদ্ধ নাৰাখি ব্যৱহাৰিক দিশত কাম কৰাৰ আহ্বান

# পূব বংশৰ কলেজ-শৰাইঘাটৰ বুজাবুজি চুক্তিত স্বাক্ষৰ

**নিয়মীয়া বাৰ্তা, চাংসাৰি, ১৮ মে' ঃ** কামৰূপ জিলাৰ চাংসাৰিস্থিত শৰাইঘাট মহাবিদ্যালয় আৰু পূব বংশৰ মহাবিদ্যালয়ৰ মাজত কালি এক বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। নতুন ৰাষ্ট্ৰীয় শিক্ষানীতিৰ অধীনত এই শিক্ষাবৰ্ষৰ পৰা আৰম্ভ হ'বলগীয়া স্নাতকৰ নতুন পাঠ্যক্ৰমৰ লগত ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকসকলক সজাগ কৰিবলৈ আৰু ৰাষ্ট্ৰীয় মূল্যায়ন তথা স্বীকৃতি পৰিষদ চমুকৈ 'নাক'ৰ পৰিদৰ্শনৰ লগত সামঞ্জস্য ৰাখি দুয়োখন মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সমন্বয়কৰ উপস্থিতিত শৰাইঘাট মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মণি শৰ্মা আৰু পূব বংশৰ মহাবিদ্যালয়ৰ অধ্যক্ষা ড° প্ৰণীতা বৈশ্যই ভৱিষ্যতে দুয়োখন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত জ্ঞান বিনিময়, শিক্ষক বিনিময়, আন্তঃগাঁথনিৰ সৎ ব্যৱহাৰ, গৱেষণা, সহঃ পাঠ্যক্ৰম ইত্যাদি বিষয়ত একত্ৰিতভাৱে কাম কৰিবলৈ এক বুজাবুজিৰ চুক্তিত উপনীত হয়। ইয়াৰ লগতে দুয়োখন মহাবিদ্যালয়ৰ ইংৰাজী বিভাগ আৰু শিক্ষা দুয়োটা বিভাগে পৰৱৰ্তী পাঁচ বছৰৰ বাবে বিভাগীয়ভাৱে এক সমন্বয় আৰু সহযোগিতামূলক মানসেৰে কাম কৰিবলৈ বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। এই অনুষ্ঠানত পূব বংশৰ মহাবিদ্যালয়ৰ আভ্যন্তৰীণ গুণগত মান নিশ্চিতকৰণ কোষৰ (IQAC) সমন্বয়ক ড° ধ্ৰুৱজ্যোতি মালাকাৰ, ইংৰাজী বিভাগৰ সহঃ তথা মুৰব্বী অধ্যাপক শ্বেখ আব্দুল হামিদ, সহঃ অধ্যাপিকা ড° হিমাদ্ৰী ভৰালী, শিক্ষা বিভাগৰ সহঃ অধ্যাপিকা দীপা বৰুৱা, ৰীতিৰেখা কলিতা আৰু গ্ৰন্থাগাৰিকা মিতালী বৰ্মন উপস্থিত থাকে। আনহাতে




শৰাইঘাট মহাবিদ্যালয়ৰ আভ্যন্তৰীণ গুণগত মান নিশ্চিতকৰণ কোষৰ (IQAC) সমন্বয়ক তথা ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক নৱজ্যোতি পাটোৱাৰী, অধ্যাপিকা দেৱযানী দাস, একেখন মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ মুৰব্বী অধ্যাপিকা ড° লতিকা ডেকা, সহঃ অধ্যাপিকা ড° সংগীতা ডেকা প্ৰমুখ্যে বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপক জয়ন্ত শৰ্মা, ড° মানস বৰদলৈ, পাৰ্চী বিভাগৰ মুৰব্বী অধ্যাপক ড° আমিনুল ৰহমানৰ লগতে অসমীয়া বিভাগৰ অধ্যাপক ড° ধনেশ্বৰ কলিতায়ো এই চুক্তি স্বাক্ষৰিত অনুষ্ঠানত উপস্থিত থাকে। অনুষ্ঠানটোৰ আঁত ধৰে পূব বংশৰ মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সমন্বয়ক ড° ধ্ৰুৱজ্যোতি মালাকাৰে। 'নাক'ৰ মূল্যায়নত এ গ্ৰেড লাভ কৰা শৰাইঘাট মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মণি শৰ্মাই এই চুক্তি কাগজৰ মাজত সীমাবদ্ধ নাৰাখি ব্যৱহাৰিক দিশত কাম কৰাৰ বাবে সকলোকে অনুৰোধ কৰে। চুক্তি স্বাক্ষৰিত এই দুয়োটা বিভাগৰ বিভাগীয় শিক্ষকৰ উপৰি দুয়োখন মহাবিদ্যালয়ৰ প্ৰতিটো বিভাগৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰীয়ে অনাগত সময়ত ছাত্ৰ-ছাত্ৰীৰ জ্ঞানৰ বিকাশৰ বাবে একেলগে কাম কৰি যাব বুলি তেওঁ সভাত দোহাৰে। 'নাক'ৰ মূল্যাংকনৰ বাবে এছ এছ আৰ প্ৰস্তুত কৰাৰ ক্ষেত্ৰত পূব বংশৰ মহাবিদ্যালয়ক বিভিন্ন পৰামৰ্শ দিয়ে অধ্যাপক নৱজ্যোতি পাটোৱাৰীয়ে। অঞ্চলটোৰ দুয়োটা অনুষ্ঠানৰ এনে এক সমন্বিত পদক্ষেপে অঞ্চলটোৰ শিক্ষাৰ বিকাশত সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলাব বুলি স্থানীয় ৰাইজে আশা প্ৰকাশ কৰিছে।